# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 25-01-2026

**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

**HEADLINE**

০০০০০

১। ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাক্-সন্ধিয়া আজি ৭ বজাত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ দেশবাসীক উদ্দেশ্যি ভাষণ।

২। অসমৰ তিনিগৰাকী বিশিষ্ট ব্যক্তিলৈ চলিত বছৰৰ পদ্ম সন্মান।

৩। উদ্যোগ আৰু ষ্টাৰ্টআপৰ সৈতে জড়িত যুৱক-যুৱতীসকলক গুণগত মান বৃদ্ধিত গুৰুত্ব দিবলৈ মন কী বাতযোগে প্ৰধানমন্ত্ৰীৰ আহ্বান।

**আৰু**

৪। অসমৰ দুশবছৰীয়া চাহ উদ্যোগৰ অনন্য অৱদানৰ স্বীকৃতিস্বৰূপে মুখ্যমন্ত্ৰীৰ 'এটি কলি দুটি পাত' আঁচনিৰ শুভাৰম্ভ।

০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যাত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক উদ্দেশ্যি ভাষণ দিব। সন্ধিয়া ৭ বজাৰ পৰা এই ভাষণ আকাশবাণীৰ সকলো নেটৱৰ্ক আৰু দূৰদৰ্শনৰ সকলো চেনেল যোগে সম্প্ৰচাৰ কৰা হ'ব। দূৰদৰ্শনত হিন্দী আৰু ইংৰাজীত এই ভাষণ প্ৰচাৰৰ পাছতে আঞ্চলিক ভাষাতো এই ভাষণ প্ৰচাৰ কৰা হ'ব। ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ আকাশবাণী গুৱাহাটীয়ে নিশা চাৰে ন বজাত প্ৰচাৰ কৰিব।

০০০০০

সমগ্ৰ দেশতে কাইলৈ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্যপথত গণৰাজ্য দিৱসৰ পতাকা উৰুৱাব। ইয়াৰ পাছতে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন আৰু ২১ জাই টোপধ্বনিৰে সম্ভাষণ জনোৱা হ'ব। গণৰাজ্য দিৱস উপলক্ষে কৰ্তব্যপথত হ'বলগীয়া পেৰেডত সমাজৰ বিভিন্ন খণ্ডৰ ১০ হাজাৰ বিশেষ অতিথি উপস্থিত থাকিব। এইবাৰৰ দিৱসৰ কাৰ্য্যসূচীত ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ভনডেৰ লিয়েন বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। এইবাৰৰ পেৰেডত অসমৰ ধুবুৰীৰ আশাৰিকান্দিৰ বিখ্যাত পোৰামাটিৰ শিল্প প্ৰতীকপট হিচাপে প্ৰদৰ্শন কৰা হ'ব। ভৌগোলিক সূচ্যাংকৰ স্বীকৃতি লাভ কৰা এই শিল্প এইবাৰৰ পেৰেডত দেশবাসীৰ সন্মুখত উজ্বলি উঠিব।

ৰাজ্যৰ প্ৰতিখন জিলাতে গণৰাজ্য দিৱসৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে স্পৰ্শকাতৰ স্থানসমূহকে ধৰি বিভিন্ন নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। গুৱাহাটীৰ খানাপাৰত থকা অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত

গণৰাজ্য দিৱসৰ কাৰ্যসূচী উদযাপন কৰা হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ৯ বজাত গণৰাজ্য দিৱসৰ পতাকা উৰুৱাব। ইতিমধ্যে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত ২৪টা দলে কুছ্‌কাৱাজৰ অনুশীলন অব্যাহত ৰাখিছে। এইবেলি মিজোৰাম আৰক্ষীৰ এটা দলেও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। ডিব্ৰুগড় জিলাতো গণৰাজ্য দিৱসৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। জিলাখনৰ খনিকৰ খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই পতাকা উৰুৱাব। গণৰাজ্য দিৱস উপলক্ষে জিলাখনত আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। গোলাঘাট জিলাত গণৰাজ্য দিৱস উপলক্ষে সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰি তোলা হৈছে। জিলাখনৰ কেতবোৰ স্পৰ্শকাতৰ এলেকাক আজিৰে পৰা কাইলৈ পৰ্যন্ত অস্থায়ী ৰেড জ'ন হিচাপে ঘোষণা কৰা হৈছে। এই সময়ছোৱাত নিৰ্দিষ্ট অঞ্চলসমূহৰ ওপৰেৰে ড্ৰোণ নাইবা মানৱবিহীন উৰণ যন্ত্ৰ ব্যৱহাৰত কঠোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নিৰ্দেশ অমান্য কৰিলে আইন অনুসৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কোৱা হৈছে।

দক্ষিণ শালমাৰা মানকাচাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী অঞ্চলত গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। জিলাখনৰ অসম-মেঘালয় সীমান্তৱৰ্তী এলেকাসমূহত আৰক্ষীয়ে তালাচী অভিযান চলাই থকাৰ লগতে পহৰাৰ ব্যৱস্থা কৰিছে। মেঘালয়ৰ পৰা জিলাখনত প্ৰৱেশ কৰা বাহনসমূহত তালাচী চলোৱা হৈছে। তদুপৰি বাংলাদেশৰ সৈতে সংলগ্ন আন্তঃৰাষ্ট্ৰীয় সীমান্তত সীমান্ত সুৰক্ষা বাহিনীয়ে নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰি তুলিছে। সীমান্তৱৰ্তী নদী, চৰ অঞ্চল আৰু উন্মুক্ত এলেকাত চোকা দৃষ্টি ৰখা হৈছে। জিলাখনৰ হাটশিঙিমাৰি মহাবিদ্যালয়ত কাইলৈ কেন্দ্ৰীয়ভাৱে গণৰাজ্য দিসৰ উদযাপন কৰা হ'ব। দিৱসৰ কুচকাৱাজত কাইলৈ ১৪ টা দলে অংশগ্ৰহণ কৰিব। ৰাজ্যৰ অন্যান্য জিলাসমূহত গণৰাজ্য দিৱসৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

গোৱালপাৰা জিলাত প্ৰশাসনে কাইলৈ জেটিএছ্ খেলপথাৰত কেন্দ্ৰীয়ভাৱে গণৰাজ্য দিৱস উদযাপন কৰিব। এইবেলি কেন্দ্ৰীয় সংৰক্ষিত বাহিনী, গৃহৰক্ষী বাহিনী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, সৈনিক স্কুলৰ লগতে অন্যান্য শিক্ষানুষ্ঠানৰ ২৭ টা দলে কুচকাৱাজত অংশ ল'ব।

বজালী জিলাত ৭৭ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে কাইলৈ পাঠশালা সাহিত্য সভাই স্বৰিচ কবিতা পাঠ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানটো ৰাজ্য চৰকাৰৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত স্বাস্থ্য সেৱা সঞ্চালক ডাঃ সুব্ৰত কুমাৰ শৰ্মাই সঞ্চালনা কৰিব।

০০০০০

অসমৰ তিনিগৰাকী বিশিষ্ট ব্যক্তিলৈ চলিত বছৰৰ পদ্ম সন্মান আগবঢ়োৱা হৈছে। কাৰ্বি লোক-সংগীতৰ বিশিষ্ট শিল্পী পখিলা লেকথেপীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে।

-সংগীত-

চাৰি দশকৰো অধিক কাল কাৰ্বি লোক-সংগীতৰ চৰ্চা কৰি অহা লোক-শিল্পীগৰাকীয়ে তিনি শতাধিক গীতত কণ্ঠদান কৰিছে। ২০২৩ চনৰ ১৭ জানুৱাৰীত ৰাজ্য চৰকাৰে তেওঁক কাৰ্বি সংগীতৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে শিল্পী বঁটা আৰু শিল্পী পেঞ্চন প্ৰদান কৰে। ২০২৪ চনত তেওঁক ৰাজ্যৰ তৃতীয় সৰ্বোচ্চ অসামৰিক সন্মান অসম গৌৰৱ বঁটাৰে সন্মানিত কৰা হয়। ৰাজ্যৰ যশস্বী কলা নিৰ্দেশক নুৰুদ্দিন আহমেদলৈও চলিত বছৰৰ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। বিভিন্ন চলচ্চিত্ৰ আৰু নাটৰ লগতে কলা

নিৰ্দেশনাৰ ক্ষেত্ৰখনলৈ উৎকৃষ্ট বৰঙণি যোগাই অহা আহমেদে ২০১৭ চনত সংগীত নাটক একাডেমী বঁটা লাভ কৰে। শেহতীয়াকৈ বটদ্ৰবা প্ৰকল্পৰ সৌন্দৰ্য্য বৰ্ধন আৰু মূৰ্তি নিৰ্মাণ কাৰ্য্যতো তেওঁ জড়িত আছিল। এই সন্মান লাভ কৰি শিল্পীগৰাকীয়ে আমাৰ কামৰূপ মহানগৰ জিলাৰ সংবাদদাতাৰ আগত এইদৰে মনৰ ভাৱ ব্যক্ত কৰে -

-বাইট-

অসম সাহিত্য সভাই তেওঁক কলাৰত্ন সন্মানেৰেও সন্মানিত কৰিছিল। ৰাজ্যৰ এৰী আৰু ৰেচম বিশেষজ্ঞ যোগেশ দেউৰীলৈও পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। বিশিষ্ট এৰী বিশেষজ্ঞ আৰু ৰাজ্য চৰকাৰৰ ৰেচম বিভাগৰ সহকাৰী সঞ্চালক যোগেশ দেউৰীক ২০২৩ চনত অসম গৌৰৱ বঁটাৰে সন্মানিত কৰা হৈছিল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্যোগ আৰু ষ্টাৰ্টআপৰ সৈতে জড়িত যুৱক-যুৱতীসকলক গুণগত মান বৃদ্ধিত গুৰুত্ব দিবলৈ আহ্বান জনাইছে। আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰি প্ৰধানমন্ত্ৰীয়ে এই আহ্বান জনায়। এয়া আছিল অনুষ্ঠানটোৰ ১৩০ সংখ্যক খণ্ড। দেশৰ অৰ্থনীতি দ্ৰুত গতিত আগবাঢ়িছে আৰু সমগ্ৰ বিশ্বৰ দৃষ্টি ভাৰতৰ ওপৰত নিবদ্ধ হৈ আছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশত যি উৎপাদন হয়, তাৰ গুণগত মান উন্নত কৰাৰ বাবে আমি সকলোৱে সংকল্প লোৱা উচিত।

মন কী বাতত প্ৰধানমন্ত্ৰীয়ে স্বচ্ছ ভাৰত অভিযানৰ কথা উল্লেখ কৰি অসমৰ নগাঁৱৰ কেইগৰাকীমান ব্যক্তিয়ে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি গ্ৰহণ কৰা পদক্ষেপক বিশেষভাৱে উল্লেখ কৰে। এই লোকসকলে নগাঁও চহৰৰ অলিয়ে-গলিয়ে গোট খাই থকা বহু আৱৰ্জনা পৰিষ্কাৰ কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে।

-বাইট-

পৰিষ্কাৰ-পৰিচ্ছন্নতা সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আন এখন ৰাজ্য অৰুণাচল প্ৰদেশৰ কথাও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ইটানগৰৰ যুৱ সংগঠনে ৰাজহুৱা স্থানত এই অভিযান আৰম্ভ কৰি নাহৰ লগুণ, দৈমুখ, চেপা, পালিন, পাচিঘাটকে ধৰি অনেক এইবোৰ ঠাইত প্ৰায় ১১ লাখ কিলোমিটাৰতকৈ অধিক দূৰত্বৰ আৱৰ্জনা পৰিষ্কাৰ কৰে।

০০০০০

সমাপ্ত